**ৰিপৰ্টযোগ্য**

**ভাৰতৰ উচ্চতম ন্যায়ালয়**

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ**

**দেৱানী আপীল নং: ২০৮৫৮/২০১৭**

( বিশেষ অনুমতি আবেদন(দেৱানী)নং: ১৩২৫৬/ ২০১৭ পৰা উদ্ভৱ হোৱা )

ৰূপজন বেগম ..........................................আপিলকাৰী(সকল)

বনাম

ভাৰত চৰকাৰ আৰু অন্যান্য ........................ প্ৰতিবাদী(সকল)

সৈতে

দেৱানী আপীল নং. ২০৮৬২/২০১৭

(বিশেষ অনুমতিৰ আবেদন (দেৱানী) নং.১৩২৫৯ ২০১৭ৰ পৰা উদ্ভৱ হোৱা)

দেৱানী আপীল নং. ২০৮৫৯/২০১৭

( বিশেষ অনুমতিৰ আবেদন (দেৱানী) নং.১৩২৬০/২০১৭ৰ পৰা উদ্ভৱ হোৱা )

দেৱানী আপীল নং. ২০৮৬১/২০১৭

( বিশেষ অনুমতিৰ আবেদন (দেৱানী) নং.১৩২৫৮ ২০১৭ৰ পৰা উদ্ভৱ হোৱা )

দেৱানী আপীল নং ২০৮৬০/২০১৭

(বিশেষ অনুমতিৰ আবেদন (দেৱানী) নং.১২৬৪৭/ ২০১৭ৰ পৰা উদ্ভৱ হোৱা )

দেৱানী আপীল নং ২০৮৬৩/২০১৭

( বিশেষ অনুমতি আবেদন (দেৱানী) নং.১৩২৫৭/ ২০১৭ৰ পৰা উদ্ভৱ হোৱা )

দেৱানী আপীল নং ২০৮৬৪/২০১৭

(বিশেষ অনুমতিৰ আবেদন (দেৱানী) নং.২৮৯৩৫/ ২০১৭ৰ পৰা উদ্ভৱ হোৱা )

বিশেষ অনুমতিৰ আবেদন (দেৱানী) নং ১৬৪৪১/২০১৭

**ৰায়**

<u>ন্যায়াধীশ ৰঞ্জন গগৈ</u>

বিশেষ অনুমতি আবেদন (দেৱানী) নং ১৬৪৪১ /২০১৭

১/ বিশেষ অনুমতি আবেদন (দেৱানী) নং ১৬৪৪১/২০১৭ পৃথকে তালিকাভুক্ত কৰা হওক।

<u>বিশেষ অনুমতি আবেদন (দেৱানী) নং: ১৩২৫৬/২০১৭, ১৩২৫৯/২০১৭, ১৩২৬০/২০১৭, ১৩২৫৮/২০১৭, ১২৬৪৭/২০১৭, ১৩২৫৭/২০১৭ আৰু</u>

<u>২৮৯৩৫/২০১৭ ।</u>

২/ বিশেষ অনুমতি আবেদন (দেৱানী) নং:-১৩২৫৬/২০১৭, ১৩২৫৯/২০১৭, ১৩২৬০/২০১৭, ১৩২৫৮/২০১৭, ১২৬৪৭/২০১৭, ১৩২৫৭/২০১৭ আৰু ২৮৯৩৫/২০১৭ ত অনুমতি দিয়া হল।

৩) এই আপীল গোটত প্ৰত্যাহ্বান জনোৱা হৈছে গৌহাটী উচ্চ ন্যায়ালয়ৰ ২৮ ফেব্ৰুৱাৰী, ২০১৭ তাৰিখৰ এক আদেশক, যাৰ দ্বাৰা নথি নং xiii (অৰ্থাৎ বিবাহৰ পিছত অন্য গাঁওলৈ প্ৰব্ৰজন কৰা মহিলাসকলৰ ক্ষেত্ৰত গাঁও পঞ্চায়তৰ সম্পাদকে প্ৰদান কৰা আৰু স্থানীয় ৰাজহ বিষয়াই প্ৰতিস্বাক্ষৰ কৰা প্ৰমাণ-পত্ৰ বা নগৰ অঞ্চলৰ ক্ষেত্ৰত চক্ৰ বিষয়াসকলে প্ৰদান কৰা এনে প্ৰমাণ-পত্ৰ) ক সমৰ্থনকাৰী নথি হিচাপে 'গ্ৰহণযোগ্য নথিপত্ৰৰ তালিকাত উল্লেখ কৰাক উচ্চ ন্যায়ালয়ে আইনগত ভাৱে অবৈধ বুলি ধৰি কৈছে আৰু সেয়েহে এন আৰ চিত অন্তৰ্ভুক্তিৰ বাবে দাবীৰ পৰীক্ষণ প্ৰক্ৰিয়াত কোনো প্ৰভাৱ নপৰে। উচ্চ ন্যায়ালয়ে উক্ত আদেশটো লেখ আবেদন (দেৱানী) নং ২৬৩৪/২০১৬ (মনোৱাৰা বেৱা ওৰফে মনোৰা বেৱা বনাম ভাৰত চৰকাৰ আৰু অন্যান্য) গোচৰত জাৰী কৰে য'ত বিদেশী ন্যায়াধিকৰণে লেখ আৱেদনকাৰী – মনোৱাৰা বেৱা ওৰফে মনোৰা বেৱাক বিদেশী বুলি ধৰি ৰখা আদেশৰ বৈধতা লৈ প্ৰশ্নৰ উত্থাপন হৈছিল। উচ্চ ন্যায়ালয়ে লেখ আৱেদনত আগবঢ়োৱা বিবাদবোৰ কোনো যোগ্যতা আৰু সাৰ্থকতা বিহীন পাইছিল আৰু সাক্ষ্যৰ ওপৰত ভিত্তি কৰি লেখ আবেদনকাৰী – মনোৱাৰা বেৱা ওৰফে মনোৰা বেৱাক বিদেশী হিচাপে বিবেচনা কৰাটো ন্যায়সঙ্গত।

৪) লেখ আবেদনকাৰী – মনোৱাৰা বেৱা ওৰফে মনোৰা বেৱাই তেওঁৰ ভাৰতীয় নাগৰিক হোৱাৰ দাবীৰ সমৰ্থনত অতিৰিক্তভাৱে উচ্চ ন্যায়ালয়ত ওপৰত উল্লেখ কৰা ধৰণৰ গাঁও পঞ্চায়তৰ সচিবে প্ৰদান কৰা প্ৰমাণ পত্ৰ দাখিল কৰিছিল।

উচ্চ ন্যায়ালয়ে ওপৰত উল্লেখ কৰা প্ৰমাণপত্ৰখনৰ কথা নোকোৱাকৈ ন্যায়াধিকৰণৰ সন্মুখত ৰখা তথ্যৰ ভিত্তিত লেখ আবেদনৰ সিদ্ধান্ত লব পাৰিলেহেঁতেন আৰু আচলতে ললেহেঁতেন আৰু সেই ভিত্তিত প্ৰশ্ন কৰা কাৰ্য্যবিধি বন্ধ কৰিব পাৰিলেহেঁতেন। অৱশ্যে, উচ্চ ন্যায়ালয়ে মত পোষণ কৰে যে জি.পি. সচিবে জাৰী কৰা প্ৰমাণপত্ৰৰ বৈধতাৰ প্ৰশ্নটো ৰাজহুৱাভাবে যথেষ্ট গুৰুত্বপূৰ্ণ আৰু এক সমাধানৰ প্ৰয়োজন। সেই অনুসৰি উচ্চ ন্যায়ালয়ে লেখ আবেদনখন মেৰিটৰ ওপৰত খাৰিজ কৰাৰ পিছত একেটাকে “বৃহত্তৰ বিষয়” বুলি অভিহিত কৰি পূৰ্বতে উল্লেখ কৰা প্ৰশ্নটোৰ উত্তৰ দিবলৈ লয়।

৫) যিহেতু উক্ত প্ৰমাণ-পত্ৰখন অবৈধ বুলি ধৰা উচ্চ ন্যায়ালয়ৰ মতামতে উচ্চ ন্যায়ালয়ৰ সন্মুখত নথকা বৃহৎ সংখ্যক ব্যক্তিক প্ৰভাৱিত কৰাৰ সম্ভাৱনা আছে গতিকে এনে ব্যক্তিয়ে এই আদালতৰ সন্মুখত ধাৰাবাহিকভাৱে বিশেষ অনুমতিৰ আবেদন দাখিল কৰি প্ৰত্যাহ্বান জনাইছে উচ্চ ন্যায়ালয়ৰ আদেশৰ পূৰ্বতে উল্লেখ কৰা অংশক। বিশেষ অনুমতি আবেদন দাখিল কৰাৰ অনুমতি প্ৰদান কৰা হৈছে আৰু উত্থাপিত অভিযোগৰ শুনানি গ্ৰহণ কৰা হৈছে।

৬) অসন্তুষ্ট লেখ আবেদনকাৰীয়ে উচ্চ ন্যায়ালয়ৰ সন্মুখত দাখিল কৰা বিশেষ অনুমতিৰ আবেদনৰ পৰা উদ্ভৱ হোৱা আপীল অৰ্থাৎ মনোৱাৰা বেৱা ওৰফে মনোৰা বেৱা ওপৰৰ আপীলৰ গোটটোৰ সৈতে গ্ৰহণ আৰু শুনানি গ্ৰহণ কৰা হৈছে।

৭/ আমি পক্ষসমূহৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তাসকলৰ কথা শুনিছো।

৮) উচ্চ ন্যায়ালয়ৰ আদেশ পঢ়িলে দেখা যাব যে উচ্চ ন্যায়ালয়ৰ মতে প্ৰশ্ন কৰা নথিখন আছিল এন আৰ চিত অন্তৰ্ভুক্তিৰ দাবীৰ সুবিধাৰ বাবে এটা নথিৰ উল্লেখ কৰি যিটো ২৪ মাৰ্চ, ১৯৭১ চনৰ পিছৰ, যটো হৈছে ভিত্তি তাৰিখ যাৰ ভিত্তিত

নাগৰিকত্ব আইন, ১৯৫৫ৰ ধাৰা ৬এৰ অধীনত নাগৰিকত্ব নিৰ্ধাৰণ কৰিব লাগিব। উচ্চ ন্যায়ালয়ে এই মত লৈছিল যে ‘গ্ৰাহ্যযোগ্য নথি পত্ৰৰ তালিকাত তালিকাভুক্ত আন সকলো নথি-পত্ৰ ভিত্তি তাৰিখৰ আগৰ আৰু, সেয়েহে, উক্ত নথিখন অন্তৰ্ভুক্ত কৰাৰ কোনো বিশেষ কাৰণ থাকিব নোৱাৰে অৰ্থাৎ সমসাময়িক জি. পি. সচিবে জাৰী কৰা প্ৰমাণ পত্ৰ উক্ত তালিকাত প্ৰমাণ-পত্ৰ, আনকি সমৰ্থনকাৰী নথি হিচাপেও।

এই সন্দৰ্ভত উচ্চ ন্যায়ালয়ে এই মতামত গ্ৰহণ কৰে যে এই আদালতে সৰ্বানন্দ সোণোৱাল বনাম ভাৰত চৰকাৰ গোচৰত ৰায় দিয়া হৈছিল যে অবৈধ প্ৰব্ৰজনকাৰীৰ বিপুল আগমনৰ বাবে অসম ৰাজ্যই “বাহ্যিক আগ্ৰাসন” আৰু “আভ্যন্তৰীণ অশান্তি” ৰ সন্মুখীন হৈছে আৰু সমস্যাৰ গুৰুত্ব মনত ৰাখি উন্নীতকৃত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়কত অন্তৰ্ভুক্তিৰ বাবে নাগৰিকত্ব প্ৰতিষ্ঠা কৰিবলৈ প্ৰশ্ন কৰা নথিখনৰ ব্যৱহাৰে গ্ৰহণযোগ্যতাৰ বাবে বিবেচনা কৰিব নোৱাৰে।

৯) উচ্চ ন্যায়ালয়ে এই মতামত গ্ৰহণ কৰে যে অসম পঞ্চায়ত আইন, ১৯৯৪ৰ বিধান অনুসৰি এনে প্ৰমাণপত্ৰ প্ৰদানৰ কথা কোৱা নাই আৰু/বা অনুমোদিত নহয়। ১৮৭২ চনৰ ভাৰতীয় প্ৰমাণ আইনখনৰ বিধানসমূহৰ কথা উল্লেখ কৰি উচ্চ ন্যায়ালয়ও মতপোষন কৰিছিল যে যিহেতু উক্ত প্ৰমাণ-পত্ৰখন জি.পি. সচিবে যিকোনো চৰকাৰী অভিলেখৰ ভিত্তিত জাৰী কৰা নাই , সেইটো ‘ৰাজহুৱা নথি’ নহয় আৰু, আচলতে, উক্ত প্ৰমাণ-পত্ৰ খন জি. পি. সচিবে জাৰী কৰা এটা ‘ব্যক্তিগত নথি। গতিকে তাৰ প্ৰমাণিক মূল্য, ওপৰত গুৰুতৰ সন্দেহৰ হয়। পূৰ্বতে উল্লেখ কৰা বহল ভিত্তিতেই উচ্চ ন্যায়ালয়ে প্ৰশ্ন কৰা প্ৰমাণপত্ৰখন বাতিল কৰাটো উচিত বুলি ভাবিছিল।

১০) উন্নীতকৃত এন আৰ চিত অন্তৰ্ভুক্তিৰ বাবে দাবীৰ প্ৰক্ৰিয়াকৰণৰ ক্ষেত্ৰত সহমতত উপনীত হোৱা প্ৰমাণ-পত্ৰৰ বাতিলৰ প্ৰভাৱ নিঃসন্দেহে এন আৰ চিত অন্তৰ্ভুক্তিৰ বাবে আবেদন দাখিল কৰিব পৰা বৃহৎ সংখ্যক দাবীদাৰক প্ৰভাৱিত কৰে।

১১) সেয়েহে অতি চমুকৈ লক্ষ্য কৰাটো প্ৰয়োজনীয় হব পাৰে যে কেনে পৰিস্থিতিত উক্ত তালিকাৰ ধাৰাবাহিক নং ১৩ ত হাজিৰ হোৱা গাঁও পঞ্চায়ত সচিবে প্ৰমাণ পত্ৰকে ধৰি নথি-পত্ৰৰ দৃষ্টান্তমূলক তালিকাখন জাৰী কৰিছিল।

১২) এন আৰ চি প্ৰস্তুতৰ বাবে কেবিনেট উপ-সমিতিৰ জৰিয়তে ৰাজ্য চৰকাৰে এটি মডালিটি প্ৰণয়ন কৰিছিল। প্ৰথম অৱস্থাত ২০১০ চনৰ ৩ আগষ্টত গঠন হোৱা উপ-সমিতিখন সময়ে সময়ে পুনৰ গঠন কৰা হৈছিল। সদৌ অসম ছাত্ৰ সন্থা (“আছু” ) আৰু ২৬ জনগোষ্ঠীয় সংঘৰ লগতে সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা (“আমছু” )কে ধৰি বিভিন্ন অংশীদাৰৰ সৈতে কেইবালানি আলোচনাৰ অন্তত এই পদ্ধতিসমূহৰ ওপৰত আলোচনা কৰা হয়। নথি-পত্ৰৰ তালিকাখন পূৰ্বতে উল্লেখ কৰা পদ্ধতিসমূহৰ অংশ আছিল যিবোৰ ৰাজ্য চৰকাৰে চূড়ান্ত কৰাৰ পিছত ২০১৩ চনৰ ৫ জুলাইত ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল। উক্ত মডালিটিসমূহৰ কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বিষয়ে কেন্দ্ৰীয় গৃহ সচিবে অসম চৰকাৰৰ মুখ্য সচিবক উদ্দেশ্যি ২২ নৱেম্বৰ, ২০১৪ তাৰিখৰ এখন পত্ৰৰ জৰিয়তে জনোৱা হয়। কেন্দ্ৰীয় গৃহ সচিবৰ পূৰ্বতে অনুমোদন পোৱাৰ পিছত ৰাজ্যিক সমন্বয়কে কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ বিষয়ে ভাৰতৰ মহাপঞ্জীয়কক অৱগত কৰি উক্ত কৰ্তৃপক্ষ অৰ্থাৎ আৰ.জি.আই. পৰা এনে প্ৰমাণপত্ৰ প্ৰদানৰ সন্দৰ্ভত নিৰ্দেশনা বিচাৰিছিল। এই কথা ৰাজ্যিক সমন্বয়কৰ ৯ এপ্ৰিল, ২০১৫ তাৰিখৰ এখন পত্ৰৰ জৰিয়তে জনোৱা হয়। উক্ত পত্ৰখনৰ উত্তৰত আৰ.জি.আই.য়ে ৫ মে’ , ২০১৫ তাৰিখৰ

যোগাযোগৰ জৰিয়তে জি.পি. সচিব/কাৰ্যবাহী দণ্ডাধীশে প্ৰদান কৰিবলগীয়া প্ৰমাণ-পত্ৰ(সমূহ)ৰ ফৰ্মেট অনুমোদন জনাইছে। ইয়াৰ পিছত ৰাজ্য সমন্বয়কে সেইদিনা অৰ্থাৎ ৫ মে, ২০১৫ তাৰিখে জাৰি কৰা এক যোগাযোগৰ জৰিয়তে ৰাজ্যসমূহৰ সকলো উপাযুক্তক আৰ. জি. আই. ৰ সিদ্ধান্ত আৰু বিবাহৰ বাবে নতুন ঠাইলৈ প্ৰব্ৰজন কৰা বিবাহিত মহিলাৰ বাবে গ্ৰাম্য অঞ্চলত জি. পি. সচিবৰ দ্বাৰা আৰু চহৰ অঞ্চলত কাৰ্যবাহী দণ্ডাধীশৰ দ্বাৰা জাৰী কৰিব লগা প্ৰমাণ-পত্ৰসমূহৰ ফৰ্মেটৰ অনুমোদন জনায়। এনে প্ৰমাণ-পত্ৰ প্ৰদানৰ ক্ষেত্ৰত মানি চলিবলগীয়া প্ৰয়োজনীয় নীতি-নিয়মৰ বিষয়েও সমন্বয়কৰ উক্ত ৫ মে’ ২০১৫ চনৰ পত্ৰৰ জৰিয়তে জনোৱা হৈছিল।

১৩) ওপৰৰ পৰা দেখা যাব যে এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াত জি পি সচিবৰ প্ৰমাণ-পত্ৰকে ধৰি তালিকাখনত থকা নথিৰ ক্ষেত্ৰত সকলো অংশীদাৰে সন্মতি দিছিল আৰু সেইটোকে কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰৰ অনুমোদনও জনাইছিল, যি অনুসৰি প্ৰয়োজনীয় প্ৰটকলৰ সৈতে সংগতি ৰাখি জিলা পৰ্যায়ৰ বিষয়াসকলক এনে প্ৰমাণ-পত্ৰ প্ৰদানৰ ক্ষেত্ৰত নিৰ্দেশনা জাৰি কৰা হৈছিল।

১৪) প্ৰশ্ন কৰা বিষয়টো উচ্চ ন্যায়ালয়ে নিজৰ ওচৰত চলি থকা কাৰ্য্যবিধিত কঠোৰভাৱে উত্থাপিত নোহোৱা এটা বিষয় বিবেচনা কৰিবলৈ গ্ৰহণ কৰিছিল। উচ্চ ন্যায়ালয়ৰ বিবেচনাধীন লেখ আবেদনৰ উত্তৰ দিয়াৰ বাবে বিষয়টোৰ সমাধান অপৰিহাৰ্য নাছিল। এই বিষয়টোৱে উচ্চ ন্যায়ালয়লৈ নহা বৃহৎ সংখ্যক নাগৰিকক প্ৰভাৱিত কৰাৰ সম্ভাৱনা আছিল। ১৯০৮ চনৰ দেৱানী প্ৰক্ৰিয়া সংহিতাৰ অৰ্ডাৰ ১ নিয়ম ৮ৰ বিধানৰ অধীনতো কোনো জাননী জাৰি কৰা হোৱা নাছিল যাতে প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা ব্যক্তিসকলে প্ৰতিনিধি হিচাপে বিষয়টোৰ প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। যদিও, উচ্চ ন্যায়ালয়ৰ আদেশ যিমানদূৰলৈকে প্ৰমাণ-

পত্ৰৰ বৈধতাৰ বিষয়টো কেৱল ওপৰৰ ভিত্তিত নিষেধাজ্ঞা আৰোপ কৰা হব পাৰে, আমাৰ মতে আমি বিষয়টোত আৰু আগবাঢ়িব লাগে আৰু বিষয়টোৰ ওপৰত থকা সকলো সন্দেহ দূৰ কৰিবলৈ আৰু বিষয়টোৰ ওপৰত আৰু কোনো ধৰণৰ মামলাৰ পৰা হাত সাৰিবলৈ প্ৰশ্ন কৰা প্ৰমাণ-পত্ৰখনৰ বৈধতাৰ বিষয়টোৰ ওপৰত আমাৰ মতামত লিপিবদ্ধ কৰিব লাগে।

১৫) জি পি সম্পাদকে প্ৰদান কৰা প্ৰমাণ-পত্ৰত কেৱল এগৰাকী বিবাহিতা মহিলাৰ বাসস্থান এখন গাঁৱৰ পৰা আন এখন গাঁৱলৈ স্থানান্তৰিত হোৱাৰ কথা স্বীকাৰ কৰা হৈছে। উক্ত প্ৰমাণ-পত্ৰখনে নিজেই আৰু কোনো কাৰণতে প্ৰমাণ-পত্ৰধাৰীৰ নাগৰিকত্বৰ কোনো দাবী প্ৰতিষ্ঠা নকৰে। এইটো দস্তাবেজসমূহৰ তালিকাত নিজেই স্পষ্ট কৰা হৈছে এনে দস্তাবেজ কেৱল এটা সমৰ্থনকাৰী দস্তাবেজ হিচাপে ধাৰ্য্য কৰিব। প্ৰশ্ন কৰা প্ৰমাণ-পত্ৰখনে কেৱল ইয়াৰ ধাৰীক আৰু যাৰ পৰা উত্তৰাধিকাৰ দাবী কৰা হয় তেনে ব্যক্তিজনৰ মাজত সংযোগ স্থাপন কৰিবলৈ সক্ষম কৰে। বিদ্বান ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসমৰ কেইবাটাও প্ৰতিবেদনত স্পষ্ট কৰি দিয়া হৈছে যে লিগেচি ব্যক্তিজনৰ সবিশেষ অবিহনে এনে প্ৰমাণপত্ৰৰ সৈতে দাবী বাতিল কৰিব লাগে আৰু যদিহে লিগেচি ব্যক্তিজনৰ বিষয়ে তথ্য দিয়া হৈছে যথাযথ অনুসন্ধান আৰু পৰীক্ষণৰ পিছত সংযোগ প্ৰদান কৰাৰ সীমিত উদ্দেশ্যত প্ৰশ্ন কৰা প্ৰমাণ-পত্ৰখন ব্যৱহাৰ কৰা হ'ব।

১৬) জি পি সচিবে প্ৰদান কৰা প্ৰমাণ পত্ৰ, কোনো কাৰণতে, নাগৰিকত্বৰ প্ৰমাণ নহয়। দাবীদাৰ আৰু লিগেচি ব্যক্তি (যিজন নাগৰিক হব লাগিব)ৰ মাজত সংযোগ স্থাপন হলেহে এনে প্ৰমাণ আহিব। দুটা পৰ্যায়ত প্ৰমাণ পত্ৰ পৰীক্ষা কৰিব লাগিব। প্ৰথমটো হল প্ৰমাণ-পত্ৰ খনৰ প্ৰামাণ্যতা; আৰু দ্বিতীয়টো হল ইয়াৰ বিষয়বস্তুৰ সত্যতা। পৰীক্ষণৰ পিছৰ প্ৰক্ৰিয়াটো এক বিস্তৃত প্ৰক্ৰিয়া হোৱাটো নিশ্চিত, যাৰ

কালছোৱাত প্ৰমাণ-পত্ৰৰ ধাৰীক সুযোগ দিয়াৰ পিছত তথ্যৰ উৎস আৰু প্ৰমাণপত্ৰত লিপিবদ্ধ অন্যান্য সকলো সবিশেষ নিৰ্ণয় কৰা হব। যদি নথিখন আৰু ইয়াৰ বিষয়বস্তুৰ ওপৰত পুংখানুপুংখ অনুসন্ধান আৰু তদন্ত কৰিবলগীয়া হয় তেন্তে আমি দেখা নাপাওঁ যে উক্ত প্ৰমাণপত্ৰখনক উচ্চ ন্যায়ালয়ে কিয় নিষিদ্ধ কৰিব লাগিছিল, বিশেষকৈ উল্লেখ কৰা নথিপত্ৰসমূহৰ গণনা আৰু অন্তৰ্ভুক্তিৰ সৈতে জড়িত তথ্যৰ প্ৰেক্ষাপটত নথিপত্ৰৰ তালিকাত, ওপৰত লক্ষ্য কৰা ধৰণে। দৰাচলতে, সময়ে সময়ে অনুষ্ঠিত হোৱা কাৰ্য্যবিধিৰ কালছোৱাত উক্ত দৃষ্টান্তমূলক নথি-পত্ৰৰ তালিকাখনো এই আদালতৰ সন্মুখত ৰখা হৈছিল আৰু এই আদালতে তালিকাত উল্লেখ কৰা প্ৰতিটো নথি-পত্ৰৰ প্ৰকৃতি আৰু প্ৰভাৱৰ বিষয়ে জানিছিল।

১৭) ওপৰৰ কথাখিনিৰ বাহিৰেও অসম পঞ্চায়ত আইন, ১৯৯৪ অৰ্থাৎ ধাৰা ১৯(১)(vi), ২১ আৰু ১২২ৰ বিধানসমূহৰ সংযুক্ত পঠনৰ পৰা দেখা যাব যে এনে প্ৰমাণপত্ৰ প্ৰদানৰ নিৰ্দেশনাসমূহ ৰ পৰিসৰৰ ভিতৰত আহিব পাৰে আইনখনৰ অধীনত কৰ্তৃপক্ষৰ অধিকাৰক্ষেত্ৰ য'ত উচ্চ ন্যায়ালয়ে লোৱা মতামত আৰু উক্ত নথিখন 'ব্যক্তিগত নথি' বুলি ৰাষ্ট্ৰৰ হৈ উত্থাপন কৰা বিতৰ্কসমূহ আইনগতভাৱে ভংগুৰ হ'ব।

১৮) পূৰ্বতে উল্লেখ কৰা সকলো কাৰণতে আমি উচ্চ ন্যায়ালয়ৰ আদেশক আঁতৰাই ৰাখিছো যিমানদূৰলৈকে জি পি সচিবে প্ৰদান কৰা প্ৰমাণ-পত্ৰৰ অবৈধতাৰ কথা আহিছে আৰু বৰ্তমানৰ আপীলসমূহক ওপৰৰ সীমিত পৰিসৰলৈকে অনুমতি দিছো। আমি স্পষ্ট কৰি দিওঁ যে জি পি সচিব/কাৰ্যবাহী দণ্ডাধীশে প্ৰদান কৰা প্ৰমাণ-পত্ৰসমূহৰ ওপৰত অৱশ্যে কেৱল এনে প্ৰমাণ-পত্ৰৰ ধাৰী আৰু যিজন ব্যক্তিৰ পৰা উত্তৰাধিকাৰ দাবী কৰা হৈছে তেওঁলোকৰ মাজত সংযোগ স্থাপনৰ বাবেহে ব্যৱস্থা গ্ৰহণ কৰা হব। প্ৰমাণ-পত্ৰখন এনে সীমিত ব্যৱহাৰত ৰখা হব

যদিহে প্ৰমাণ-পত্ৰৰ বিষয়বস্তু যথাযথ আৰু সঠিক অনুসন্ধান আৰু পৰীক্ষণৰ ওপৰত প্ৰতিষ্ঠিত হোৱা দেখা যায়।

( ন্যায়াধীশ ৰঞ্জন গগৈ )

( ন্যায়াধীশ ৰোহিণ্টন ফালি নৰিমান )

নতুন দিল্লী

৫ ডিচেম্বৰ, ২০১৭

*অনুবাদ- প্ৰণৱ জ্যোতি বৰা, জ্যেষ্ঠ অনুবাদক*